**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-11-2024 **Time :** 0755 Hrs.

**Assamese Morning Bulletin**

সংসদৰ শীতকালীন অধিবেশন আজি আৰম্ভ হ'ব। ২৬ দিন ধৰি চলিবলগীয়া এই অধিবেশনত ১৯খন বৈঠক অনুষ্ঠিত হ'ব। অৱশ্যে সংবিধান দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ সংসদৰ কাম-কাজ বন্ধ থাকিব। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতীয় সংবিধান গ্ৰহণ কৰা কেন্দ্ৰীয় প্ৰেক্ষাগৃহতে সংবিধান দিৱসৰ মূল অনুষ্ঠান অনুষ্ঠিত হ'ব। এই শীতকালীন অধিৱেশন ২০ ডিচেম্বৰত অন্ত পৰিব। অধিবেশনত ভাৰতীয় বায়ুযান বিধেয়ক-২০২৪, দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী বিধেয়ক-২০২৪, ৰে'লৱে সংশোধনী বিধেয়ক, ৱাকফ সংশোধনী বিধেয়ক আৰু ভাৰতীয় বন্দৰ বিধেয়ক-২০২৪ কে ধৰি মুঠ ১৬খন বিধেয়ক উত্থাপন কৰা হ'ব।

দুয়োখন সদনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াটো সুনিশ্চিত কৰাৰ বাবে কালি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে আজি আৰম্ভ হ'বলগীয়া সংসদৰ শীতকালীন অধিৱেশনত যিকোনো বিষয় আলোচনা কৰিবলৈ চৰকাৰ সাজু বুলি মন্তব্য প্ৰকাশ কৰিছে। বৈঠকৰ পাছত সংবাদমাধ্যমৰ সৈতে মত বিনিময় কৰি শ্ৰী ৰিজিজুৱে অধিৱেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে অব্যাহত থকাটো সুনিশ্চিত কৰিবলৈ বিৰোধী দলসমূহলৈ আহ্বান জনায়। শ্ৰীৰিজিজুৱে কয়, যে বৈঠকত ৩০ টা ৰাজনৈতিক দলৰ ৪২গৰাকী নেতাই অংশগ্ৰহণ কৰে আৰু প্ৰত্যেকেই নিজৰ নিজৰ  পৰামৰ্শসমূহ আগবঢ়ায়। চৰকাৰে দুয়োখন সদনতে সঠিক আৰু শান্তিপূৰ্ণ আলোচনা হোৱাতো বিচাৰে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় পৰিষদে অহা বছৰ অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰপত্ৰ পূৰণৰ বাবে আজি পুনৰ পৰ্টেল মুকলি কৰিছে। সেই অনুসৰি প্ৰপত্ৰ পূৰণৰ বাকী থকা সকলো কাম কাইলৈৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ পৰিষদে সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহক আহ্বান জনাইছে। পৰিষদে এটা নিৰ্দেশনাত উল্লেখ কৰা মতে পূৰ্বে পূৰণ কৰা প্ৰপত্ৰত কোনো আসোঁৱাহ ৰৈ গ'লে সেইসমূহো কাইলৈৰ ভিতৰত আঁতৰ কৰিব পৰা যাব। একেদৰে পৰহিলৈ মাচুল আদায়ৰ অন্তিম তাৰিখ নিৰ্ধাৰণ কৰা হৈছে। উল্লেখযোগ্য যে অহা বৰ্ষত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে পৰিষদে অনলাইন পৰ্টেলৰ জৰিয়তে প্ৰপত্ৰ পূৰণ দিন ঘোষণা কৰিছিল। সেই অনুসৰি যোৱা ২৩ অক্টোবৰৰ পৰা ১৪ নৱেম্বৰলৈ বিদ্যালয়সমূহে sebaregistration.org শীৰ্ষক পৰ্টেলৰ জৰিয়তে প্ৰপত্ৰ পূৰণ কৰিব পাৰিব বুলি ঘোষণা কৰিছিল যদিও ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে আজি পুনৰ পৰ্টেলটো মুকলি কৰি দিয়া হৈছে। প্ৰপত্ৰ পূৰণৰ দিন পৰৱৰ্তী সময়ত আৰু বৃদ্ধি কৰা নহয় বুলি পৰিষদে স্পষ্টভাৱে জনাইছে। লগতে অফলাইনত কোনো ধৰণৰ প্ৰপত্ৰ গ্ৰহণ কৰা নহয় বুলিও প্ৰকাশ কৰিছে।

০০০০০০০

অসম ৰাজ্যিক নিৰ্বাচন আয়োগে দুটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰাৰম্ভিক প্ৰস্তুতি আৰম্ভ কৰিছে। ইতিমধ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পঞ্চায়ত নিৰ্বাচনৰ সম্ভাব্য তাৰিখো প্ৰকাশ কৰিছে।

কালি গুৱাহাটীত এখন সংবাদ মেল অনুষ্ঠিত কৰি মুখ্যমন্ত্ৰীয়ে অহা ১৩ ফেব্ৰুৱাৰীৰ ভিতৰত ৰাজ্যত পঞ্চায়ত নিৰ্বাচন সম্পন্ন কৰা হ'ব বুলি প্ৰকাশ কৰে। ইয়াৰপূৰ্বে সংবাদ মাধ্যমৰ আগত তেওঁ ডিচেম্বৰত ভোটাৰ তালিকা আৰু জানুৱাৰীৰ প্ৰথম সপ্তাহত পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি সদৰি কৰিছিল। উল্লেখযোগ্য যে ৰাজ্যত বিগত বৰ্ষত  পঞ্চায়তৰ কাৰ্যকাল উকলি গৈছে। নিৰ্বাচন আয়োগৰ তথ্য মতে পঞ্চায়তৰ নতুনকৈ নিৰ্ধাৰণ কৰা সীমা অনুসৰি গাঁও পঞ্চায়ত ২হেজাৰ ১৯৩ খনলৈ, আঞ্চলিক পঞ্চায়ত ১৮১খনলৈ আৰু জিলা পৰিষদৰ সদস্যৰ সংখ্যা ৩৯৭লৈ হ্ৰাস পাইছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে লিংগভিত্তিক হিংসা নিৰ্মূল কৰাৰ ক্ষেত্ৰত প্ৰচেষ্টা গ্ৰহণৰ অংশ হিচাপে আজি নতুন দিল্লীত 'অব্ কোই বাহানা নহী' শীৰ্ষক ৰাষ্ট্ৰীয় অভিযান মুকলি কৰিব। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয় আৰু গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ যৌথ উদ্যোগত তথা ৰাষ্ট্ৰ সংঘৰ মহিলা কোষৰ সহযোগত এই প্ৰচেষ্টা চলোৱা হৈছে। উল্লেখযোগ্য যে প্ৰতিবছৰে আজিৰ দিনটো মহিলাৰ বিৰুদ্ধে হিংসা নাশ কৰাৰ আন্তঃৰাষ্ট্ৰীয় দিৱস হিচাপে সমগ্ৰ বিশ্বজুৰি পালন কৰা হয়।

ইফালে, ৰাজ্য চৰকাৰৰ মহিলা আৰু শিশু বিকাশ বিভাগে আজিৰেপৰা ১০ ডিচেম্বৰলৈ লিংগভিত্তিক হিংসা নিৰ্মূল সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। ১৬ দিনীয়া এই অভিযানৰ সৈতে সংগতি ৰাখি ৰাজ্যিক জিলা আৰু খণ্ড পৰ্যায়ত লিংগভিত্তিক হিংসাৰ বিৰুদ্ধে ডিজিটেল আৰু সামাজিক মাধ্যমৰ জৰিয়তে ব্যাপক হাৰত সজাগতা অভিযান  চলোৱাৰ লগতে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, মহিলা সুৰক্ষা বিষয়ক আইন সন্দৰ্ভত সজাগতাৰ বাবে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত কৰ্মশালা, আলোচনাচক্ৰ আদিৰ আয়োজন কৰা হৈছে। মহিলাৰ অধিকাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত থকা অন্যান্য বিভাগীয় সহযোগী সেৱাসমূহ জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হৈছে। তদুপৰি এই অভিযানৰ অধীনত মহিলা আৰু শিশু সুৰক্ষাৰ ক্ষেত্ৰত থকা ১৮১, ১০৯৮ আৰু ১১২ ৰ দৰে জৰুৰীকালীন সেৱাসমূহ ব্যাপক হাৰত প্ৰচাৰ কৰা হ'ব।

ooooo

ৰাজ্যৰ দুগৰাকী প্ৰতিভাৱান খেলুৱৈ নয়নমণি শইকীয়া আৰু পুতুল সোণোৱালে আজিৰেপৰা নিউজিলেণ্ডৰ অ'কলেণ্ডত হ'বলগীয়া বিশ্ব ব'লছ চেম্পিয়নছ অৱ চেম্পিয়নছ প্ৰতিযোগিতাত দেশক প্ৰতিনিধিত্ব কৰিব। এই প্ৰতিযোগিতাত কেৱল ৰাষ্ট্ৰীয় চেম্পিয়নসকলকহে নিজ নিজ দেশক প্ৰতিনিধিত্ব কৰাৰ অনুমতি প্ৰদান কৰা হৈছে। ৰাজ্যৰ ল'নবল সংস্থাৰ সভাপতি দূৰ্গা দাস বড়ো আৰু সম্পাদক নৱ বসুমতাৰীয়ে খেলুৱৈ দুগৰাকীক শুভেচ্ছা জ্ঞাপন কৰিছে।

oooooo

**সমাপ্ত**